1 (Sem–1) ASS

**2023**

# ASSAMESE

Paper : ASS0100104

***[Axomiya Bhasha Aru Sahityor Itihash (up to Year 1826)]***

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) অসমীয়া ভাষাৰ লিখিত সাহিত্যৰ প্ৰথম নিদৰ্শন কি?

(খ) হেমচন্দ্ৰ গোস্বামীয়ে সংকলন কৰা অসমীয়া সাহিত্যৰ বুৰঞ্জীখনৰ নাম লিখা।

(গ) অসমীয়া লোকগীতৰ এটি শ্ৰেণীবিভাগ উল্লেখ কৰা।

(ঘ) বৰগীতক কোনগৰাকী পণ্ডিতে 'Noble Numbers' আখ্যা দিছে?

*Contd.*

(ঙ) হেম সৰস্বতীয়ে কোন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল?

(চ) কোনগৰাকী পাঁচালী কবিৰ ৰচনা জনসমাজত 'সুকনান্নী' নামে জনাজাত?

(ছ) 'অসমৰ ৰণোদ্যম' পাঠ্যাংশ কোনখন বুৰঞ্জীৰ পৰা সংগৃহীত?

(জ) ভট্টদেৱৰ প্ৰকৃত নাম কি?

২। চমু উত্তৰ দিয়া ঃ *(যিকোনো ছটা)* ২×৬=১২

(ক) "তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য-ভাৰতৰ ভাষাতকৈ অলপ বেলেগ।" অসমীয়া ভাষা সম্পৰ্কে কোনগৰাকী পৰিব্ৰাজকে কোন শতিকাত এই মন্তব্য কৰিছিল?

(খ) চতুৰ্থ-পঞ্চম শতিকাৰ *দুখন* প্ৰাচীন অসমীয়া শিলালিপিৰ নাম লিখা।

(গ) প্ৰাচীন অসমীয়া সাহিত্যৰ উত্থান আৰু বিকাশৰ *দুটা* পটভূমি উল্লেখ কৰা।

(ঘ) কোনগৰাকী কবিক অসমীয়া ব্যাস আখ্যা দিব পাৰি আৰু তেওঁ কোন যুগৰ কবি আছিল?

(ঙ) ঝুমুৰাৰ ৰচক কোন? তেওঁৰ কোনখন নাটক ঝুমুৰাৰ শ্ৰেণীত নপৰে?



(চ) শংকৰদেৱে কেইপ্ৰকাৰ ভটিমাৰ প্ৰৱৰ্তন কৰিছিল? তাৰে *যিকোনো এটা* প্ৰকাৰ উল্লেখ কৰা।

(ছ) মহেশ্বৰ নেওগে সম্পাদনা কৰা 'গুৰু-চৰিতকথা' প্ৰথমে ক'ৰ পৰা আৰু কোন চনত প্ৰকাশ হৈছিল?

(জ) 'হস্তীবিদ্যাৰ্ণৱ' গ্ৰন্থখন কোনখন সংস্কৃত গ্ৰন্থৰ আলমত ৰচিত? সংস্কৃত গ্ৰন্থখনৰ ৰচক কোন?

(ঝ) কামৰূপৰ *দুগৰাকী* চৰ্যাকাৰৰ নাম লিখা।

(ঞ) অসমীয়া আৰু বাংলা উমৈহতীয়া সাহিত্যৰ বৈশিষ্ট্য পৰিলক্ষিত হোৱা *দুখন* গ্ৰন্থ উল্লেখ কৰা।

৩। চমু উত্তৰ লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) 'গুৰু-শিষ্যৰ মণিকাঞ্চন' কথাষাৰে কি বুজাইছে চমুকৈ লিখা।

(খ) ভট্টদেৱৰ সাহিত্যকৃতি চমুকৈ আলোচনা কৰা।

(গ) মাধৱ কন্দলি ৰচিত ৰামায়ণৰ 'লংকাৰ বিৱৰণ' পাঠটিত লংকাৰ বৰ্ণনা কেনেদৰে দাঙি ধৰিছে তোমাৰ ভাষাৰে লিখা।

(ঘ) 'একবাৰ হৰিবোল মন ৰচনা' লোকগীতটিত ফুটি উঠা আধ্যাত্মিক ভাব তোমাৰ ভাষাৰে বৰ্ণনা কৰা।

(ঙ) প্ৰাক্-শংকৰী যুগৰ কবি আৰু তেওঁলোকৰ কাব্যৰচনাৰ আভাস দিয়া।

(চ) অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাসত ১৮২৬ চনটোৰ গুৰুত্ব বৰ্ণনা কৰা।

(ছ) বৰগীতৰ বৈশিষ্ট্য সম্পৰ্কে চমুকৈ লিখা।

(জ) মাধৱদেৱৰ নাট্যপ্ৰতিভাৰ পৰিচয় দাঙি ধৰা।

৪। তলৰ *যিকোনো দুটা* প্ৰশ্নৰ উত্তৰ কৰা ঃ ১০×২=২০

(ক) 'উষ্ণা উষ্ণা পৰৱত তই সবৰী বালী'
চৰ্যাগীতটোৰ ভাবাৰ্থ লিখি ইয়াৰ সাহিত্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) অসমীয়া সাহিত্যক কি কি যুগত কেনেদৰে ভাগ কৰিব পাৰি বহলাই আলোচনা কৰা।

(গ) বধকাব্যৰ বৈশিষ্ট্য উল্লেখ কৰি 'ভীমচৰিত' গ্ৰন্থত বধকাব্যৰ কি কি লক্ষণ ফুটি উঠিছে ফঁহিয়াই দেখুওৱা।

(ঘ) পাঁচালী সাহিত্য বুলিলে কি বুজা? অসমীয়া সাহিত্যৰ ইতিহাসত পাঁচালী কবি আৰু তেওঁলোকৰ সাহিত্যকৃতিৰ স্থান নিৰ্ণয় কৰা।

(ঙ) 'হস্তীবিদ্যাৰ্ণৱ' পুথিত হাতীৰ কি কি লক্ষণ, ৰোগ আৰু চিকিৎসাৰ উল্লেখ পোৱা যায় বৰ্ণনা কৰি এই পুথিৰ গদ্যৰ বৈশিষ্ট্য বিশ্লেষণ কৰা।

---